[২০১২] ৮ এছ. চি. আৰ. ১১৯৩

এম. ডি. সাহাবুদ্দিন আৰু অন্যান্য

বনাম

অসম ৰাজ্য

(ফৌজদাৰী আপীল নং ১৬০২/ ২০১২)

অক্টোবৰ ০৫, ২০১২

[ন্যায়াধীশ টি. এছ. থাকুৰ আৰু ন্যায়াধীশ ফকীৰ মহম্মদ ইব্ৰহিম কালিফুল্লা]

*নাৰ্ক'টিক ড্ৰাগছ এণ্ড চাইকোট্ৰপিক চাবষ্টেন্সচ এক্ট, ১৯৮৫(নিচাযুক্ত দ্ৰব্য আৰু মনোদৈহিক পদাৰ্থ আইন, ১৯৮৫)- বৈধ নথিপত্ৰ অবিহনে বৃহৎ পৰিমাণৰ কাহৰ চিৰাপ সৰবৰাহ- নিৰ্ধাৰিত সীমাৰ ওপৰঞ্চি নাৰ্ক'টিক(নিচাযুক্ত) পদাৰ্থ কোডিন ফছফেট থকা কাহৰ চিৰাপ- অভিযুক্ত আবেদনকাৰীৰ জামিন আবেদন- নাকচ- স্বত্বাধিকাৰ- উপস্থাপন কৰে, যেতিয়া আবেদনকাৰীসকলে এই যোগানৰ উদ্দেশ্য কি আছিল সেই বিষয়ে ব্যাখ্যা কৰিব পৰা অৱস্থাত নাছিল, লগতে নিৰ্ধাৰিত সীমাৰ ওপৰঞ্চি নিচাসক্ত পদাৰ্থ কোডিন ফছফেট থকা বৃহৎ পৰিমাণৰ কাহৰ চিৰাপৰ সৰবৰাহ কাৰ্যকৰী কৰাৰ বাবে আন কোনো বৈধ ব্যাখ্যাৰ অনুপস্থিতিত জামিন প্ৰদানৰ আবেদন বিবেচনা কৰিব পৰা নগ'ল- যিহেতু, আবেদনকাৰীসকলৰ হাতত কি উদ্দেশ্যত ইমান বৃহৎ পৰিমাণৰ অনুসূচী 'এইচ'-ত নিচাসক্ত পদাৰ্থ থকা দ্ৰব্য সৰবৰাহ কৰা হৈছিল লগতে গোপনে কৰা হৈছিল এই বিষয় প্ৰকাশ কৰিবলৈ তেওঁলোকৰ হাতত কোনো নথিপত্ৰ নাছিল, গতিকে ১৪-১১-১৯৮৫ আৰু ২৯-০১-১৯৯৩ তাৰিখৰ অধিসূচনাত উল্লেখ কৰা অনুসৰি এনে সৰবৰাহ*

*চিকিৎসাৰ বাবে কৰা হৈছিল বুলি সহজে অনুমান কৰিব পৰা নগ'ল- আবেদনকাৰীৰ আচৰণৰ প্ৰতি লক্ষ্য ৰাখি, তেওঁলোকক কোৱা শুনা নাযায় যে, তেওঁলোকে ড্ৰাগছ এণ্ড কচমেটিকচ এক্ট (ঔষধ আৰু প্ৰশাধন আইন)ৰ অধীনত বা এন.দি.পি.এচ. এক্টৰ অধীনত প্ৰয়োজনীয়তা পূৰণ কৰিব বুলি আশা কৰা হোৱা নাছিল- ড্ৰাগছ এণ্ড কচমেটিকচ এক্ট- ৰুল নং ৬৫, ৯৭, ৬১(১) আৰু ৬১(২)- ১৪.১১.১৯৮৫ত প্ৰকাশিত এচ.ও. ৮২৬(ই) আৰু ২৯.০১.১৯৯৩ত প্ৰকাশিত জি.এচ.আৰ. ৪০ নং কেন্দ্ৰীয় চৰকাৰৰ অধিসূচনা- জামিন।*

*চৰকাৰ শব্দ আৰু বাক্যাংশ- "থেৰাপিউটিক প্ৰেক্টিছ"(নিৰাময় সেৱা)- অৰ্থ।*

বাদী পক্ষৰ মতে, অভিযুক্ত আবেদনকাৰীসকল বৈধ নথিপত্ৰ অবিহনে বৃহৎ পৰিমাণৰ কাহৰ চিৰাপ সৰবৰাহৰ সৈতে জড়িত আছিল আৰু তদুপৰি উক্ত পৰিমাণৰ কাহৰ চিৰাপত নিৰ্ধাৰিত সীমাৰ ওপৰঞ্চি কোডিন ফছফেট নামৰ নিচাসক্ত পদাৰ্থ আছিল, আৰু এনেদৰে নাৰ্ক'টিক ড্ৰাগছ এণ্ড চাইকোট্ৰপিক চাবষ্টেন্সচ এক্ট, ১৯৮৫-ৰ ব্যৱস্থাৰ অধীনত অপৰাধ সাব্যস্ত কৰা হৈছে। আপীলকাৰীসকলক মু.ন্যা.দ.-ৰ সন্মুখত হাজিৰ কৰোৱা হৈছিল, য'ত তেওঁলোকক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আপীলকাৰীসকলে জামিন প্ৰদানৰ বাবে সত্ৰ ন্যায়াধীশৰ আদালতত আবেদন জনাইছিল যদিও, সত্ৰ ন্যায়াধীশগৰাকীয়ে জামিন আবেদন নাকচ কৰিছিল। তাৰপিছত, আপীলকাৰীসকলে উচ্চ ন্যায়ালয়ত আবেদন কৰিছিল, যি জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ কৰাত বৰ্তমানৰ আবেদন দাখিল কৰা হৈছে।

আবেদনখন নাকচ কৰি আদালতে উপস্থাপন কৰে,

১.১ আপীলকাৰীসকলৰ আচৰণৰ প্ৰতি লক্ষ্য ৰাখি বৈধ নথিপত্ৰ অবিহনে ফেনচিডাইল কাহৰ চিৰাপৰ প্ৰতিটো কাৰ্টনত ১০০মি.লি.ৰ ১০০বটল থকা বৃহৎ

পৰিমাণৰ ৩৪৭কার্টন আৰু ৰিকোডেক্স কাহ চিৰাপৰ প্রতিটো কার্টনত ১০০মি.লি.ৰ ১০০বটল থকা ১০২কার্টন সৰবৰাহ কৰা হৈছিল বুলিয়েই তেওঁলোকৰ এই যুক্তি গ্রহনযোগ্য নহয় যে, তেওঁলোকে ড্রাগছ এণ্ড কচমেটিক্স এক্টৰ ব্যৱস্থাৰ অধীনত বা নার্ক'টিক ড্রাগছ এণ্ড চাইকোট্রপিক চাবস্টেন্স এক্ট, ১৯৮৫ৰ ব্যৱস্থাৰ অধীনত কোনো বিধিবদ্ধ প্রয়োজনীয়তা পূৰণ কৰাত দায়বদ্ধ নাছিল। [দফা ১০] [১২০০- বি- চি]

১.২ যেতিয়া আপীলকাৰীসকলে বিতৰণৰ বাবে বা ফার্মাচিউটিকেল সামগ্রীৰ সৈতে কাম কৰা কোনো অনুজ্ঞাপত্রপ্রাপ্ত ব্যৱসায়ীৰ বাবে যোগান ধৰা হৈছিল বুলি ব্যাখ্যা কৰিব পৰা অৱস্থাত নাছিল আৰু নির্ধাৰিত সীমাৰ বাহিৰত কোডিন ফছফেটৰ মাদক দ্রব্য থকা ইমান বৃহৎ পৰিমাণৰ কাহৰ চিৰাপৰ সৰবৰাহ কাৰণ বাখ্যা দিব পৰা আন কোনো বৈধ কাৰণৰ অনুপস্থিতিত জামিন প্রদানৰ আবেদন বিবেচনা কৰিব নোৱাৰি। আপীলকাৰীসকলৰ যুক্তি আছিল যে, প্রতিটো ১০০মি.লি. বটলত কোডিন ফছফেটৰ উপাদান যদি অনুমোদিত পৰিমাণৰ সৈতে সম্পর্কিত হয়, অর্থাৎ ৫মি.লি. যি ১০মিলিগ্ৰামতকৈ কম কোডিন ফছফেট হ'ব, ফলত ১৪.১১.১৯৮৫ আৰু ২৯,০১.১৯৯৩ তাৰিখৰ অধিসূচনাত নির্ধাৰিত অনুমোদিত সীমাত সামৰি ল'ব। অৱশ্যে, উচ্চ ন্যায়ালয়ে সঠিকভাৱে ধাৰণা কৰা অনুসৰি, উক্ত যুক্তিটোৱে দুটা চর্ত সন্তুষ্ট কৰিব লাগিব, অর্থাৎ নিচাযুক্ত পদার্থৰ সামগ্রীৰ প্রতি পালি ইউনিটত ১০০মি.লি.গ্ৰামতকৈ অধিক কোডিন থাকিব নালাগিব আৰু আন চর্তৰ বাহিৰে অবিভক্ত প্রস্তুতিত ২.৫শতাংশতকৈ অধিক ঘনত্ব থাকিব নালাগিব, অর্থাৎ ই কেৱল নিৰাময় সেৱাৰ বাবে হ'ব লাগে। অভিধানিক অর্থ অনুসৰি নিৰাময় সেৱাৰ অর্থ হৈছে 'ৰোগ নিৰাময়ত অৰিহণা যোগোৱা'। অর্থাৎ, মাত্রাৰ ভিত্তিত কোডিনৰ পৰিমাণৰ মূল্যায়ন কেৱল তেতিয়াহে কৰিব পাৰি যেতিয়া কাহৰ চিৰাপটো নিশ্চিতভাৱে মজুত ৰখা বা পৰিবহণ কৰা হয় যি, কেৱল ৰোগ

নিৰাময় আৰু প্ৰতিকাৰমূলক কাৰক হিচাপে ইয়াৰ ব্যৱহাৰৰ উদ্দেশ্যত কৰা কাৰ্য্যত। [দফা ১১, ১২] [১২০০- ডি.- এইচ.; ১২০১- এ.- বি.]

১.৩ যিহেতু আপীলকাৰীসকলৰ হাতত এয়া প্ৰকাশ কৰিবলৈ কোনো নথিপত্ৰ নাছিল যে, কি উদ্দেশ্যত ইমান বৃহৎ পৰিমাণৰ অনুসূচী 'এইচ'-ত থকা নিচাসক্ত পদাৰ্থ পৰিবহণ কৰা হৈছিল লগতে যি গোপনে কৰা হৈছিল, সেয়েহে এই ধৰণৰ সৰবৰাহ নিৰাময় সেৱাৰ বাবে কৰা হৈছিল বুলি সহজতে অনুমান কৰিব নোৱাৰি, যি ১৪.১১.১৯৮৫ আৰু ২৯.০১.১৯৯৩তাৰিখৰ অধিসূচনাত উল্লেখ কৰা হৈছে। সেয়েহে, যদি নিৰাময় সেৱাত উল্লিখিত উক্ত প্ৰয়োজনীয়তা পূৰণ নহয় তেন্তে, নিষিদ্ধ পৰিমাণৰ কোডিন ফছফেট থকা কাহৰ চিৰাপৰ সম্পূৰ্ণ ১০০মিলিলিটাৰ মানুহৰ সেৱনৰ উদ্দেশ্যত আছিল, যি নিশ্চিতভাৱে এন.দি.পি.এচ. আইনৰ দণ্ডনীয় ব্যৱস্থাত অন্তৰ্ভূক্ত হয়, আপীলকাৰীসকলক উপযুক্ত শাস্তি দিয়াৰ আহ্বান জনাব। সেয়েহে, ওপৰত উল্লেখ কৰা অধিসূচনাসমূহৰ অধীনত সন্তুষ্ট হ'বলৈ প্ৰয়োজনীয় নিৰ্দিষ্ট চৰ্তসমূহ স্থাপন কৰাত আপীলকাৰীৰ বিফলতা, তলৰ আদালতসমূহৰ দ্বাৰা জামিনৰ বাবে আপীলকাৰীসকলৰ আবেদন বিবেচনা কৰাৰ বাবে উক্ত অধিসূচনাসমূহৰ অধীনত প্ৰদান কৰা ৰেহাইৰ আবেদন উত্থাপন নহয়। [দফা ১৩] [১২০১- চি.- এফ.]

২. আপীলকাৰীসকলক আৰক্ষীয়ে ২৪ঘণ্টাৰো অধিক সময় ধৰি অবৈধভাৱে আটক কৰি ৰখাৰ ভিত্তিত উত্থাপন কৰা অভিযোগৰ ক্ষেত্ৰত, উচ্চ ন্যায়ালয়ৰ সিদ্ধান্ত ইয়াৰ দ্বাৰা পোৱা সন্তুষ্টিৰ ওপৰত আধাৰিত হোৱাৰ বাবে, ইয়াত হস্তক্ষেপ কৰাৰ কোনো অৱকাশ নাই। [দফা ১৪] [১২০১- এফ.- জি.]

ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ- ফৌজদাৰী আপীল নং ১৬০২/ ২০১২।

২০১২চনৰ জামিন আবেদন নং ৮৮৫ত গৌহাটী উচ্চ ন্যায়ালয়ৰ ২৫.০৫.২০১২ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰপক্ষত মনোজ, অপৰ্ণা সিনহা, বি. এন. মাজামদাৰ, অভিজাত পি. মেধ।

উত্তৰদাতাৰপক্ষত অভিজিৎ ৰয়, কৰ্পোৰেট ল গ্ৰুপ।

আদালতৰ ৰায় দিয়ে-

**ন্যায়াধীশ ফাকিৰ মহম্মদ ইব্ৰহিম কালিফুল্লা,**

১. অনুমতি দিয়া হৈছে।

২. এই আপীলটো গৌহাটী উচ্চ ন্যায়ালয়ে জামিন আবেদন নং ৮৮৫/২০১২ আৰু ৮৮৬/২০১২ত প্ৰদান কৰা সাধাৰণ নিৰ্দেশৰ বিৰুদ্ধে নিৰ্দেশিত। জামিন আবেদন নং ৮৮৫/২০১২ত সংশ্লিষ্ট আপীলকাৰীৰ বিৰুদ্ধে অভিযোগ আছিল যে, ১৬.০২.২০১২ত প্ৰায় ৮:৩০বজাত এক গোপন তথ্যৰ ভিত্তিত আৰক্ষীয়ে ৩১নং ৰাষ্ট্ৰীয় ঘাইপথৰ বক্সিৰহাটৰ ছাগলিয়াত এইচ.আৰ.-৬১-এ.৬৬৪১ নং পঞ্জীয়নৰ এখন ট্ৰাক আটক কৰে আৰু আপীলকাৰীৰ সৈতে বাহনখন গোলকগঞ্জ আৰক্ষী থানালৈ লৈ যোৱা হয় আৰু পোহৰৰ সুবিধা নথকাৰ বাবে অনুসন্ধান কৰিব নোৱাৰাত সেয়েহে, বাহন আৰু আপীলকাৰীক সেই নিশা আৰক্ষী থানাত ৰখা হৈছিল। পিছদিনা অৰ্থাৎ ১৭.০২.২০১২ত যেতিয়া ধুবুৰীৰ উপ আৰক্ষী অধীক্ষক (মুখ্য কাৰ্যালয়), গোলকগঞ্জৰ চাৰ্কল ইন্সপেক্টৰ আৰু স্থানীয় সাক্ষীসকলৰ উপস্থিতিত অনুসন্ধান চলোৱা হৈছিল, তেতিয়া প্ৰকাশ পাই যে, ফেনচিডাইল কাহৰ চিৰাপৰ প্ৰতি কাৰ্টনত ১০০মি.লি.ৰ ১০০টা বটল থকা ৩৪৭টা কাৰ্টন আৰু ৰিকোডেক্স কাহ চিৰাপৰ প্ৰতিটো কাৰ্টনত ১০০মি.লি.ৰ ১০০টা বটল থকা ১০২টা কাৰ্টন, ঘৰুৱা সামগ্ৰীৰ মাজত লুকুৱাই অনা হৈছিল। ইমান বৃহৎ পৰিমাণৰ

ফাৰ্মাচিউটিকেল সামগ্ৰী সৰবৰাহৰ বাবে বাহনখনৰ চালকজনে কোনো বৈধ নথিপত্ৰ দেখুৱাব পৰা নাছিল। ইয়াৰ উপৰিও কাহৰ চিৰাপৰ দ্ৰব্যৰ ৰাসায়নিক পৰীক্ষাত প্ৰকাশ পাইছিল যে, নিৰ্ধাৰিত পৰিমাণতকৈ অধিক কোডিন ফছফেট আছিল আৰু সেয়েহে, সামগ্ৰীসমূহ জব্দ কৰা হৈছিল। ১৮.০২.২০১২ত চি. জে. এম., ধুবুৰীৰ সন্মুখত হাজিৰ কৰোৱা আপীলকাৰীসকলক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

৩. যিহেতু আমি জামিন আবেদন নং৮৮৫/ ১২ৰ সৈতে জড়িত, আমি জামিন আবেদন নং ৮৮৬/১২ত সংশ্লিষ্ট অভিযুক্তক প্ৰভাৱিত কৰা জব্দ আৰু গ্ৰেপ্তাৰৰ বিৱৰণ বিচাৰ নকৰোঁ।

৪. আপীলকাৰীসকলে জামিন প্ৰদানৰ বাবে ধুবুৰীৰ সত্ৰ ন্যায়াধীশৰ আদালতত আবেদন জনাইছিল আৰু ৩০.০৩.২০১২তাৰিখৰ নিৰ্দেশৰ দ্বাৰা বিদ্বান সত্ৰ ন্যায়াধীশে জামিন আবেদন নাকচ কৰিছিল। তাৰপিছত, আপীলকাৰীসকলে উচ্চ ন্যায়ালয়ত আবেদন কৰে, য'ত এই আপীলত বিচাৰাধীন নিৰ্দেশ অনুসৰি জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ কৰে; সেয়ে বৰ্তমানৰ আবেদনখন দাখিল কৰা হৈছে।

৫. আপীলকাৰীসকলৰ বিদ্বান পৰামৰ্শদাতাই তেওঁৰ দাখিলৰ উপৰিও আপীলকাৰীসকলৰ হৈ লিখিতভাৱে উপস্থাপন কৰিছিল। বিদ্বান পৰামৰ্শদাতাই কই যে, আপীলকাৰীসকলে কেৱল কাহৰ চিৰাপ সৰবৰাহ কৰিছিল, য'ত কোডিন ফছফেটৰ উপাদান ১০মিলিগ্ৰামতকৈ কম আছিল (প্ৰতি পালিত), অৰ্থাৎ ৫ মি.লি. আৰু সেয়েহে, ১৪.১১.১৯৮৫তাৰিখৰ এচ.ও.৮২৬(ই.) আৰু ২৮.০১.১৯৯৩ত প্ৰকাশিত জি.এচ.আৰ.৪০ (ই.) থকা কেন্দ্ৰীয় চৰকাৰৰ অধিসূচনাৰ ভিত্তিত, এন.দি.পি.এচ. আইনৰ ব্যৱস্থাৰ অধীনত কোনো অপৰাধ কৰা হোৱা নাছিল আৰু সেয়েহে, বিদ্বান সত্ৰ ন্যায়াধীশৰ লগতে উচ্চ ন্যায়ালয়ে জামিন আবেদন নাকচ কৰাটো ন্যায়সঙ্গত নাছিল। বিদ্বান

পৰামৰ্শদাতাই তেওঁৰ দাখিলৰ সমৰ্থনত পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ কিছুমান সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিছিল। ড্ৰাগছ এণ্ড কসমেটিক্স ৰুল-ৰ নিয়ম ৬৫, ৯৭, ৬১(১) আৰু ৬১(২)ৰ লগতে ড্ৰাগছ এণ্ড কসমেটিক্স এক্ট-ৰ ২৭ নং ধাৰাৰ ওপৰতো ভিত্তি কৰা হৈছিল। লগতে দাবী কৰা হৈছিল যে, আপীলকাৰীসকলে ১৭/১৮.০২.২০১২ৰ পৰা ১৮০দিনৰো অধিক সময় জিম্মাত কটাইছে আৰু ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ১৬৭(২)ৰ প্ৰবিধান (এ)ৰ সৈতে এন.দি.পি.এচ.ৰ ধাৰা ৩৬এ (৪)ৰ অধীনত জামিনৰ অধিকাৰী আছিল।

৬. ৰাজ্য চৰকাৰৰ হৈ জামিন আবেদনৰ বিৰোধিতা কৰি দাবী কৰা হৈছিল এইবুলি যে, জব্দকৰা সামগ্ৰীত নিষিদ্ধ পৰিমাণৰ কোডিন ফছফেট স্বীকাৰযোগ্যভাৱে অন্তৰ্ভুক্ত আছিল, যিখিনি বাহনত ঘৰুৱা বয়বস্তুৰ লগত লুকুৱাই ৰখা হৈছিল, জব্দ কৰা ফাৰ্মাচিউটিকেল সামগ্ৰীসমূহ কোনো বিক্ৰেতা বা দোকানলৈ অনুমোদিত চিকিৎসকৰ পৰামৰ্শৰ অধীনত ঔষধৰ জৰিয়তে বিক্ৰীৰ বাবে নাছিল আৰু নিষিদ্ধ পদাৰ্থৰ মুঠ পৰিমাণৰ- বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি এন.দি.পি.এচ. আইনৰ ব্যৱস্থাসমূহ আকৰ্ষিত নহয় বুলি আপীলকাৰীৰ আবেদন গ্ৰহণ কৰিব নোৱাৰি। ৰাজ্য চৰকাৰৰ পৰামৰ্শদাতাৰ দাখিল মতে, কাৰাগাৰত আপীলকাৰীসকলে কিমান দিন অতিবাহিত কৰিছিল সেই বিষয়টোৰ আধাৰত উচ্চ ন্যায়ালয়ৰ আগত উত্থাপন কৰা হোৱা নাছিল আৰু সেয়েহে, এইটো এই আবেদনত বিবেচনাৰ বাবে এক ভিত্তি হ'ব নোৱাৰে।

৭. সংশ্লিষ্ট পৰামৰ্শদাতাসকলৰ কথা শুনি আৰু সত্ৰ আদালতৰ লগতে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ পৰ্যবেক্ষণ কৰি আৰম্ভণিতে, আমি অনুভৱ কৰোঁ যে, আপীলকাৰীসকলৰ বিৰুদ্ধে অভিযোগ কৰা অপৰাধৰ গুৰুত্ব উপলব্ধি কৰিবলৈ, জব্দ কৰা সামগ্ৰীৰ প্ৰকৃতি, তাত থকা কোডিন ফছফেটৰ মুঠ পৰিমাণ আৰু মাত্ৰাৰ উল্লেখ

কৰাটো উপযুক্ত, যাক উচ্চ ন্যায়ালয়ে ইয়াৰ নির্দেশৰ ৩৪নং দফাত উল্লেখ কৰিছে, যি ইয়াত উপযোগীভাৱে আহৰণ কৰিব পাৰিঃ

"বি. এ. নং ৮৮৫/২০১২

ৰিকোডেক্স ১০২০০*১৮২.৭৩ মিলিগ্রাম= ১৮৬৩গ্রাম= ১.৮৬৩কিলোগ্রাম

ফেনচিডাইল ৩৪৭০০*১৮৩.১৫ মিলিগ্রাম= ৬৩৫৫গ্রাম= ৬.৩৫৫কিলোগ্রাম

মুঠ= ৮.২১৮ কিলোগ্রাম

অর্থাৎ মুঠ ৪কিলোগ্রাম ২১৯গ্রাম"

৮. আপীলকাৰীসকলৰ বিবাদ চাৰিতৰপীয়া আছিল। প্ৰথমতে, এইটো দাবী কৰা হৈছিল যে, কাহৰ চিৰাপ ফেনচিডাইল আৰু ৰিকোডেক্স হৈছে ড্ৰাগচ এণ্ড কচমেটিকচ এক্টৰ ব্যৱস্থাৰ অধীনত সামৰি লোৱা ফাৰ্মাচিউটিকেল সামগ্ৰী, আৰু নিয়মবোৰে প্ৰতি পালিৰ পৰিমাণ ৫মি.লি. হিচাপে নির্ধাৰণ কৰে আৰু ড্ৰাগচ এণ্ড কচমেটিকচ ৰুল-ৰ নিয়ম নং ৬৫ আৰু ৯৭ৰ অধীনত মুকলি বজাৰত এনে কাহৰ চিৰাপ বেচাটো আইনীভাৱে অনুমোদিত, যি সৰবৰাহ কৰিব পাৰি, জমা কৰা ৰাখিব পাৰি আৰু অনুসূচী 'এইচ'ৰ ক্ৰমিক নং ১৩২ৰ অধীনত নির্ধাৰিত ঔষধ হিচাপে ফাৰ্মাচিউটিকেল দোকানত বিক্ৰী কৰিব পাৰি। আপীলকাৰীৰ মতে, নিয়মৰ অধীনত এনে নির্ধাৰিত ঔষধত অনুমোদিত পৰিমাণলৈকে কোডিন থাকিব পাৰে। নিয়ম নং ৯৭ৰ কথা উল্লেখ কৰি দাবী কৰা হৈছিল যে, অনুমোদিত পৰিমাণৰ মাদক দ্ৰব্য থকা অনুসূচী এইচ-ৰ ঔষধসমূহ পঞ্জীয়নভুক্ত চিকিৎসা বিশেষজ্ঞৰ পৰামৰ্শ অনুসৰি খুচুৰা হাৰত বিক্ৰী কৰিব পাৰি। সেয়েহে বিদ্বান পৰামৰ্শদাতাই দাবী কৰিছিল যে, আপীলকাৰীসকলৰ পৰা জব্দ কৰা ১০০মি.লি. বটলৰ প্ৰতিটোৰে ওপৰত উল্লেখ কৰা দুয়োটা নিয়ম ৬৫ আৰু ৯৭ৰ

অধীনত নিৰ্ধাৰিত প্ৰয়োজনীয়তা পূৰণ কৰে আৰু এই পৰিস্থিতিত এন.দি.পি.এচ. আইনৰ অধীনত আপীলকাৰীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ কোনো প্ৰশ্নই নুঠে।

৯. ড্ৰাগচ এণ্ড কচমেটিকচ ৰুলৰ নিয়ম নং ৬১ (১) আৰু ৬১ (২)ৰ কথা উল্লেখ কৰি দাবী কৰা হৈছিল যে, জৰিমনা আৰোপ কৰাৰ ব্যৱস্থা কৰা ড্ৰাগচ এণ্ড কচমেটিকচ এক্টৰ ২৭নং ধাৰাৰ অধীনত বাধ্যতামূলক প্ৰয়োজনীয়তা হিচাপে বিক্ৰী, ষ্টক, প্ৰদৰ্শন, বিক্ৰী বা বিতৰণৰ বাবে প্ৰয়োজনীয় নিৰ্ধাৰিত অনুজ্ঞাপত্ৰ কেৱল নিৰ্মাতা বা যিসকলে ঔষধ বিক্ৰী, ষ্টক, প্ৰদৰ্শন বা বিক্ৰী বা বিতৰণৰ বাবে প্ৰস্তাৱ দিয়ে তেওঁলোকৰ বাবেহে প্ৰযোজ্য হ'ব আৰু সেয়েহে, বিশেষকৈ এজন পৰিবহণকাৰী চালক আৰু এজন খলাসীৰ ড্ৰাগচ এণ্ড কচমেটিকচ এক্টৰ অধীনত অনুজ্ঞাপত্ৰ ৰখাৰ বাধ্যবাধকতা নাই।

১০. আৰম্ভণিতে, বিদ্বান পৰামৰ্শদাতাৰ উল্লিখিত দাখিল নাকচ কৰা হ'ব পাৰে, যিহেতু আপীলকাৰীসকলে প্ৰতিটো কাৰ্টনত ফেনচিডাইল ১০০মি.লি.ৰ কাহৰ চিৰাপ ১০০বটল থকা ৩৪৭কাৰ্টনৰ বৃহৎ পৰিমাণ সৰবৰাহ কৰিছিল আৰু প্ৰতি কাৰ্টনত ৰিকোডেক্স কাহ চিৰাপৰ ১০০মি.লি.ৰ ১০০টা বটল থকা ১০২টা কাৰ্টন সৰবৰাহৰ বাবে বৈধ নথিপত্ৰ অবিহনে সৰবৰাহ হোৱাত এই যুক্তি খাপ নাখায় যে, তেওঁ ড্ৰাগছ এণ্ড কস্মেটিক্স এক্টৰ অধীনত বা এন.দি.পি.এচ. আইনৰ অধীনত কোনো বিধিবদ্ধ প্ৰয়োজনীয়তা পূৰণ কৰিব বুলি আশা কৰা হোৱা নাছিল।

১১. এইটো কোনো বিতৰ্কৰ বিষয় নহয় যে, ফেনচিডাইল কাহৰ চিৰাপৰ প্ৰতিটো ১০০মি.লি. বটলত কোডিন ফছফেটৰ ১৮৩.১৫ৰ পৰা ১৮৯.৮৫মিলিগ্ৰাম আৰু ৰিকোডেক্স কাহ চিৰাপৰ প্ৰতিটো ১০০মি.লি. বটলত কোডিন ফছফেটৰ ১৮২.৭৩মিলিগ্ৰাম থাকে। যেতিয়া আপীলকাৰীসকলে বিতৰণৰ বাবে বা ফাৰ্মাচিউটিকেল সামগ্ৰীৰ সৈতে লেনদেন কৰা কোনো অনুজ্ঞাপত্ৰপ্ৰাপ্ত ব্যৱসায়ীৰ বাবে যোগান ধৰা

হৈছিল বুলি ব্যাখ্যা কৰিব পৰা অৱস্থাত নাছিল, তাৰোপৰি নিৰ্ধাৰিত সীমাৰ ওপৰঞ্চি কোডিন ফছফেটৰ মাদক দ্ৰব্য থকা ইমান বৃহৎ পৰিমাণৰ কাহ চিৰাপৰ সৰবৰাহ প্ৰভাৱিত কৰাৰ বাবে আন কোনো বৈধ ব্যাখ্যাৰ অনুপস্থিতিত, জামিন প্ৰদানৰ বাবে আবেদনখন আপীলকাৰীসকলৰ হৈ কৰা দাখিলসমূহত ভিত্তি কৰি বিবেচনা কৰিব নোৱাৰি।

১২. আপীলকাৰীসকলৰ বাবে বিদ্বান পৰামৰ্শদাতাৰ দাখিল কৰিছিল যে, প্ৰতিটো ১০০মি.লি. বটলত কোডিন ফছফেটৰ উপাদান যদি অনুমোদিত পৰিমাণৰ সৈতে সম্পৰ্কিত হয়, অৰ্থাৎ ৫মি.লি., কেৱল ১০মিলিগ্ৰামতকৈ কম কোডিন ফছফেট হ'ব যাৰ ফলত ১৪.১১.১৯৮৫ আৰু ২৯.০১.১৯৯৩তাৰিখৰ অধিসূচনাত নিৰ্ধাৰিত অনুমোদিত সীমাৰ ভিতৰত পৰিব। উচ্চ ন্যায়ালয়ে সঠিকভাৱে মতপ্ৰকাশ কৰাৰ দৰে, উক্ত যুক্তিটোৱে দুটা চৰ্ত পূৰণ কৰা উচিত আছিল, অৰ্থাৎ মাদক দ্ৰব্যৰ পৰিমাণ ১০০মিলিগ্ৰাম (কোডিন)তকৈ অধিক হ'ব নালাগে। প্ৰতি পালি ইউনিটত আৰু অবিভক্ত প্ৰস্তুতিত ২.৫শতাংশতকৈ অধিক ঘনত্বৰ সৈতে অন্য অৱস্থাৰ বাহিৰে, অৰ্থাৎ ই কেৱল নিৰাময় সেৱাৰ বাবে হ'ব লাগে। অভিধানিক অৰ্থ অনুসৰি নিৰাময় সেৱাৰ অৰ্থ হৈছে- 'ৰোগ নিৰাময়ত অৰিহণা যোগোৱা'। অৰ্থাৎ মাত্ৰাৰ ভিত্তিত কোডিনৰ পৰিমাণৰ মূল্যায়ন কেৱল তেতিয়াহে কৰিব পাৰি যেতিয়া, কাহৰ চিৰাপটো নিশ্চিতভাৱে ৰখা বা পৰিবহণ কৰা হয়, যি কেৱল ৰোগ নিৰাময়ৰ বাবে আৰু প্ৰতিকাৰমূলক কাৰক হিচাপে ব্যৱহৃত।

১৩. আমি আগতে উল্লেখ কৰাৰ দৰে যিহেতু, আপীলকাৰীসকলৰ হাতত কি উদ্দেশ্যত মাদক দ্ৰব্য থকা ইমান বৃহৎ পৰিমাণৰ অনুসূচী 'এইচ' ঔষধ সৰবৰাহ কৰা হৈছিল আৰু যি গোপনে কৰা হৈছিল সেই বিষয়ে প্ৰকাশ কৰিবলৈ কোনো নথিপত্ৰ নাছিল, সেয়েহে এই ধৰণৰ সৰবৰাহ চিকিৎসা পদ্ধতিৰ বাবে কৰা হৈছিল বুলি অনুমান

কৰিব নোৱাৰি, যি ১৪.১১.১৯৮৫ আৰু ২৯.০১.১৯৯৩ তাৰিখৰ অধিসূচনাত উল্লেখ কৰা হৈছে। সেয়েহে, যদি নিৰাময় সেৱাৰ বাবে কোৱা উক্ত প্ৰয়োজনীয়তা পূৰণ নহয় তেন্তে নিষিদ্ধ পৰিমাণৰ কোডিন ফছফেট থকা কাহ চিৰাপৰ সম্পূৰ্ণ ১০০মিলিলিটাৰ সামগ্ৰী মানুহৰ ব্যৱহাৰৰ উদ্দেশ্যত, যি নিশ্চিতভাৱে এন.ডি.পি.এচ.-ৰ দণ্ডনীয় ব্যৱস্থাৰ ভিতৰত সামৰি ল’ব, যাৰ অধীনত আপীলকাৰীসকলক উপযুক্ত শাস্তি দিয়াৰ আহ্বান জনোৱা হৈছে। সেয়েহে, ওপৰত উল্লেখ কৰা অধিসূচনাসমূহৰ অধীনত সন্তুষ্ট হ'বলৈ প্ৰয়োজনীয় নিৰ্দিষ্ট চৰ্তসমূহ স্থাপন কৰাত আপীলকাৰীসকলৰ বিফলতা আৰু নিম্ন আদালতসমূহৰ দ্বাৰা জামিনৰ বাবে আপীলকাৰীসকলৰ আবেদন বিবেচনা কৰাৰ বাবে উক্ত অধিসূচনাসমূহৰ অধীনত প্ৰদান কৰা ৰেহাইৰ আবেদন উত্থাপন নহয়।

১৪. আপীলকাৰীসকলক আৰক্ষীয়ে ২৪ঘণ্টাৰো অধিক সময় ধৰি অবৈধভাৱে আটক কৰি ৰখাৰ ভিত্তিত উত্থাপন কৰা অভিযোগৰ ক্ষেত্ৰত, উচ্চ ন্যায়ালয়ৰ সিদ্ধান্ত ইয়াৰ দ্বাৰা পোৱা সন্তুষ্টিৰ ওপৰত আধাৰিত হোৱা বাবে, আমি ইয়াত হস্তক্ষেপ কৰাৰ কোনো সুযোগ বিচাৰি পোৱা নাই।

১৫. আপীলকাৰীসকল ন্যূনতম প্ৰয়োজনীয় সময়তকৈ অধিক সময় কাৰাগাৰত আছিল বুলি বৰ্তমান, প্ৰথমবাৰৰ বাবে উপস্থাপন কৰা দাখিলৰ ক্ষেত্ৰত, যিহেতু সত্ৰ ন্যায়াধীশ বা উচ্চ ন্যায়ালয়েও আবেদনকাৰীসকলে কৰা উক্ত দাবী পৰীক্ষা কৰাৰ সুযোগ পোৱা নাছিল, আমি এই আপীলত বিবেচনা কৰাৰ প্ৰস্তাৱ দিয়া নাই।

১৬. আপীলকাৰীসকলৰ বাবে বিদ্বান পৰামৰ্শদাতাৰ দ্বাৰা নিৰ্ভৰ কৰা সিদ্ধান্তসমূহৰ কথা যেতিয়া উল্লেখ কৰোঁ, আমি পাইছো যে, সেই সিদ্ধান্তসমূহৰ সৈতে সম্পৰ্কিত কোনো তথ্য বৰ্তমানৰ গোচৰৰ তথ্যৰ সমান্তৰাল নহয়। এই সকলোবোৰ গোচৰ বৈধ অনুজ্ঞাপত্ৰ থকা ব্যক্তিসকলৰ সৈতে সম্পৰ্কিত আছিল আৰু তেওঁলোকৰ

নিয়মীয়া ব্যৱসায়িক লেনদেনৰ সময়ত যেতিয়া তেওঁলোকে ফাৰ্মাচিউটিকেল সামগ্ৰীৰ লেনদেন কৰিছিল য'ত, নিৰ্ধাৰিত অনুমোদিত মাদক দ্ৰব্যৰ সামগ্ৰী বিদ্যমান আৰু যেতিয়া তেওঁলোকৰ বিৰুদ্ধে উলংঘনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল, তেতিয়া তেওঁলোকৰ গোচৰত ৰেহাই দিয়া হৈছিল। সেয়েহে, আমি এই গোচৰৰ তথ্যৰ সিদ্ধান্তসমূহ কি মাত্ৰাত প্ৰয়োগ কৰা হ'ব তাৰ কোনো পৰিসৰ বিচাৰি পোৱা নাই।

১৭. আমি এই আপীলত কোনো যুক্তি বিচাৰি পোৱা নাই। আপীলটো বিফল লগতে নাকচ কৰা হয়। অৱশ্যে, আমি এইটো স্পষ্ট কৰি দিওঁ যে, এই নিৰ্দেশত যি কোৱা হৈছে সেয়া জামিন প্ৰদানৰ বাবে আপীলকাৰীৰ আবেদন বিবেচনা কৰাৰ উদ্দেশ্যৰ সৈতে জড়িত আৰু আমি আবেদনকাৰীসকলৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগৰ গুণাগুণৰ বিষয়ত একো কোৱা নাই।

বি. বি. বি.

আবেদন নাকচ কৰা হয়।

---------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be

authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”